**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৪৯/২০২০**

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি তীৰ্থনাথ বৰকটকীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ গভীৰ শোক প্ৰকাশ

**দিছপুৰ, ০১ এপ্ৰিল ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি তথা কটন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক তীৰ্থনাথ বৰকটকীৰ বিয়োগত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বৰকটকীয়ে আমাৰ সমাজ জীৱনলৈ যি অৰিহণা আগবঢ়াই গ'ল সেৱা জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত তীৰ্থনাথ বৰকটকীয়ে কৰ্মচাৰীসকলক ঐক্যবদ্ধভাৱে আগুৱাই লৈ যোৱাৰ বাবেও বিশেষ প্ৰয়াস চলাই গৈছে। সুদীৰ্ঘকাল ধৰি শিক্ষা জগতৰ লগত জড়িত থাকি ৰাজ্যখনৰ শৈক্ষিক ক্ষেত্ৰলৈও তেখেতে অৰিহণা আগবঢ়াই গৈছে। তেখেতৰ বিয়োগ আমাৰ শৈক্ষিক তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত তীৰ্থনাথ বৰকটকীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**০১/০৪/২০২০**